# অধিকাৰত্বৰ সংৰচনা

আৰএফচিটিএলএআৰআৰ (RFCTLARR), ২০১৩ আৰু ডব্লিউবি (WB) সুৰক্ষা ব্যৱস্থাৰ উপৰোক্ত বিশ্লেষণৰ আধাৰত, এই প্ৰকল্পটোৰ বাবে গ্ৰহণ কৰা নিম্নলিখিত অধিকাৰত্বসমূহ অৰ্হতাসম্পন্ন হ'ব:

i) সেইসকল যিসকলৰ সম্পূৰ্ণ বা আংশিকভাৱে হেৰুৱা মাটিৰ আনুষ্ঠানিক আইনী অধিকাৰ আছে;

ii) সেইসকল যিসকলে দখল কৰি থকা মাটি সম্পূৰ্ণ বা আংশিকভাৱে হেৰুৱাইছে আৰু এই মাটিৰ ওপৰত কোনো আনুষ্ঠানিক আইনী অধিকাৰ নাই, কিন্তু ৰাষ্ট্ৰীয়/ৰাজ্যিক আইনৰ অধীনত স্বীকৃত বা স্বীকৃতিযোগ্য মাটিৰ ওপৰত দাবী আছে; আৰু

iii) সেইসকল যিসকলে দখল কৰি থকা মাটি সম্পূৰ্ণ বা আংশিকভাৱে হেৰুৱাইছে আৰু এই মাটিৰ ওপৰত কোনো আনুষ্ঠানিক আইনী অধিকাৰো নাই নতুবা এনে মাটিৰ ওপৰত স্বীকৃত বা স্বীকৃতিযোগ্য দাবীও নাই।

স্বত্ববিহীন ধাৰকসকল যিসকলে নিৰ্ধাৰিত সময়সীমাৰ পাছত প্ৰভাবিত অঞ্চলত থিতাপি লয় ক্ষতিপূৰণৰ বাবে যোগ্য নহ'ব। তেওঁলোকক অৱশ্যে প্ৰকল্প বাস্তৱায়িত কৰাৰ পুৰ্বে প্ৰাংগন পৰিত্যাগ কৰিবলৈ আৰু প্ৰভাবিত গাঁথনি আঁতৰাবলৈ যথেষ্ঠ আগতীয়া জাননী (৬০ দিন) প্ৰদান কৰা হ'ব। প্ৰকল্পটোত অনুজ্ঞাধাৰী ও অনুজ্ঞাবিহীন বিক্ৰেতা আৰু স্বত্বধাৰী ও স্বত্ববিহীন পৰিয়ালবৰ্গ দুয়োটাকে স্বীকৃতি প্ৰদান কৰিব। স্থানচ্যুত লোকসকল নিম্নোল্লেখিত ছয়প্ৰকাৰৰ ক্ষতিপূৰণ আৰু সাহায্য ব্যৱস্থাৰ অধিকাৰ লাভ কৰিব।

(i) মাটি, শস্য/গছৰ ক্ষতিৰ বাবদ ক্ষতিপূৰণ তেওঁলোকৰ স্থানচ্যুত হোৱাৰ মূল্য হিচাপে;

(ii) গাঁথনি (বাসস্থান/ব্যৱসায়িক) আৰু অন্যান্য স্থাৱৰ সম্পত্তিৰ বাবদ ক্ষতিপূৰণ তেওঁলোক স্থানচ্যুত হোৱাৰ মূল্য হিচাপে;

(iii) ব্যৱসায়/ দৈনিক মজুৰি আয় হেৰুওৱাৰ পৰিবৰ্তে সাহায্য আৰু আয় পুনৰ্প্ৰতিষ্ঠাৰ সাহায্য;

(iv) শাৰীৰিকভাৱে স্থানচ্যুত বাসস্থানহীন পৰিয়ালবৰ্গলৈ বিকল্প বাসস্থান বা ঘৰৰ পৰিৱৰ্তে নগদ ধন;

(v) স্থানান্তৰৰ বাবে সাহায্য আৰু স্থানান্তৰিত স্থলীৰ বাবে ব্যৱস্থা (যদি প্ৰয়োজন), আৰু

(vi) সামূহিক সম্পদ/সা-সুবিধাৰ পুনৰ্নিৰ্মাণ আৰু/বা পুনৰ্প্ৰতিষ্ঠা।

বিভিন্ন বৰ্গৰ বাবে অধিকাৰত্বৰ গাঁথনিৰ নক্সা অসম চৰকাৰৰ (GoA) আৰএফচিটিএলএআৰআৰ (RFCTLARR), ২০১৩ আৰু আৰটিএফচিটিএলএআৰআৰ (RFCTLARR) নিয়মাৱলী, ২০১৫ আৰু বিশ্ব বেংকৰ নীতিৰ নিৰ্দেশনাৰ উপৰত আধাৰিত। স্বত্বাধিকাৰী আৰু অস্বত্বাধিকাৰী দুয়ো, তেওঁলোকৰ যোগ্যতা আৰু তলত বিশদভাৱে বৰ্ণনা কৰা অধিকাৰত্বৰ সংৰচনাৰ সাৰাংশৰ হিচাপত ক্ষতিপূৰণ লাভ কৰিব।

| ক্র নং | প্ৰভাৱিত বৰ্গ | অধিকাৰত্ব | | বাস্তৱায়িতকৰণৰ নিৰ্দেশনা |
|---|---|---|---|---|
| **ভাগ I. স্বত্বাধিকাৰী – ব্যক্তিগত সম্পত্তিৰ ক্ষতিৰ বাবে ক্ষতিপূৰণ** | | | | |
| ১ | মাটিৰ ক্ষতি<br>(কৃষি-বিষয়ক, বাৰীৰে সৈতে থকা ঘৰ, বাণিজ্যিক বা অন্যথা বা মাটিখিনিৰ সৈতে জড়িত সম্পত্তি | ১.১ | স্থানান্তৰৰ ব্যয় হিচাপত মাটিৰ বাবে ক্ষতিপূৰণ বা য'ত সম্ভৱপৰ মাটিৰ বাবে মাটি | আৰএফচিটিএলএআৰআৰ (RFCTLARR) আইন, ২০১৩-ৰ ব্যৱস্থা অনুসৰি অৰ্হতাসম্পন্ন কতৃপক্ষই মাটি আহৰণ কৰিব।<br><br>মাটিৰ বাবে স্থানান্তৰৰ মূল্য হ'ব: (i) ভাৰতীয় ষ্টাম্প আইন, ১৮৯৯ অনুসৰি বিক্ৰী দলিল বা বিক্ৰীৰ বাবে কৰা চুক্তিৰ পঞ্জীয়নৰ বাবে বজাৰ মূল্য, যি অঞ্চলত মাটিটুকুৰা অৱস্থিত; বা (ii) সবাটোকৈ কাষত থকা গাঁও বা সবাটোকৈ কাষত থকা সমীপৱৰ্তী অঞ্চলৰ একে প্ৰকাৰৰ মাটিৰ গড় বিক্ৰী মুল্য, পূৰ্বৱৰ্তী ৩ বছৰৰ বিক্ৰী দলিলসমূহৰ সৰ্বাধিক ৫০%-ৰ পৰা নিৰ্ধাৰিত কৰা; বা (iii) পিপিপি (PPP) বা ব্যক্তিগত কোম্পানীৰ বাবে আদায় দিবলৈ সন্মত হোৱা পৰিমাণ (যিটো পৰিমাণ অধিক হয়)।<br><br>লগতে ১০০% নিচুকনি মূল্য আৰু মূল্য প্ৰদান কৰিব বুলি জাননী প্ৰদান কৰা দিনৰ পৰা ১২% সুত।<br><br>গ্ৰামীন অঞ্চলৰ মাটিৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা গুণীকৃত কাৰক, চহৰাঞ্চলৰ পৰা প্ৰভাৱিত অঞ্চললৈ দুৰত্বৰ ওপৰত ভিত্তি কৰি, প্ৰয়োগ কৰা হ'ব।<br><br>কোনো ক্ষেত্ৰত কোনো মাটিৰ কেৱল এটা অংশহে প্ৰভাৱিত হয় আৰু মাটি অধিগ্ৰহণৰ |

| ক্ৰ নং | প্ৰভাৱিত বৰ্গ | অধিকাৰত্ব | | বাস্তৱায়িতকৰণৰ নিৰ্দেশনা |
|---|---|---|---|---|
| | | | | ফলস্বৰূপে মাটিডোখৰ অৰ্থনৈতিকভাৱে অনগ্ৰসৰ পৰিগণিত হোৱা বা জটিলতৰ হৈ পৰাৰ আধাৰত ইয়াৰ মালিকে সমগ্ৰ মাটিডোখৰক অধিগ্ৰহণ হোৱাটো বিচাৰে, যিকোনো অৰ্হতাসম্পন্ন কতৃপক্ষই আৰএফচিটি-এলএআৰআৰ (RFCT-LARR) আইন, ২০১৩-ৰ ৯৪ ধাৰা অনুসৰি মাটি অধিগ্ৰহণৰ প্ৰক্ৰিয়াটো পুনৰ আৰম্ভ নকৰাকৈ অৱশিষ্ট মাটিখিনিৰ বাবে অতিৰিক্ত মূল্য প্ৰদান কৰিব পাৰে।<br><br>মাটি/নিৰ্মাণ কাৰ্য্যৰ সৈতে জড়িত হৈ থকা সম্পত্তিৰ মূল্য: গছ/শস্য ইত্যাদিৰ বাবে ক্ষতিপূৰণ।<br><br>ক) আৰএফচিটি-এলএআৰআৰ (RFCT-LARR) আইন, ২০১৩-ৰ ২৯(৩) ধাৰাৰ অধীনত নগদ ক্ষতিপূৰণ প্ৰাক্কলন কৰিব:<br><br>i. কাঠ গছৰ বাবে বন বিভাগ<br>ii. শস্যৰ বাবে ৰাজ্যিক কৃষি বিভাগ<br>iii. উদ্যান, বহুবৰ্ষজীৱী গছৰ বাবে উদ্যান বিভাগ<br>iv. গছ-গছনি, শস্য আৰু বহুবৰ্ষজীৱীৰ লোকচানৰ বাবে স্বত্বাধিকাৰী আৰু বৈধ দখলদাৰীলৈ নগদ সাহায্য<br><br>খ) ফল, শস্যৰ খেতি চপাবলৈ প্ৰভাৱিত পক্ষসমূহলৈ তিনি মাহৰ আগতীয়া জাননী দিয়া হয়। চলিত শস্যৰ ক্ষেত্ৰত প্ৰভাৱিত পক্ষসমূহে শস্য চপাবলৈ তিনি মাহৰ আগতীয়া জাননী লাভ কৰিব, বা তাৰ পৰিৱৰ্তে উপৰত নিৰ্ধাৰণ কৰা অনুসৰি ক্ষতিপূৰণ লাভ কৰিব। |
| 2 | গাঁথনিৰ লোকচান (ঘৰ, দোকান, নিৰ্মাণ কাৰ্য্য | 2.1 | স্থানান্তৰিত মূল্যত ক্ষতিপূৰণ | গাঁথনিসমূহৰ আৰু অন্যান্য স্থাৱৰ সম্পত্তিৰ বজাৰ মূল্য প্ৰাসংগিক বুনিয়াদী হাৰৰ অনুসূচী |

| ক্র নং | প্ৰভাৱিত বৰ্গ | অধিকাৰত্ব | | বাস্তৱায়িতকৰণৰ নিৰ্দেশনা |
|---|---|---|---|---|
| | বা স্থাৱৰ সম্পত্তি) | | | (এছআৰ)ৰ ওপৰত ভিত্তি কৰি মূল্যাৱনমন অবিহনে নিৰ্ধাৰণ কৰা হ'ব।<br><br>লগতে ১০০% নিচুকনি মূল্য<br><br>আংশিকভাৱে প্ৰভাৱিত গাঁথনিসমূহৰ বাবে, যদি অৱশিষ্ট অংশখিনি অনুপযোগী হয়, পিএপি (PAP)-য়ে সম্পূৰ্ণ গাঁথনিটোৰ বাবে ক্ষতিপূৰণ দাবী কৰিব পৰাৰ বিকল্প থাকিব। |
| **ভাগ II. পুনৰ সংস্থাপন আৰু পূৰ্ণ বন্দবস্ত – মাটিৰ মালিক আৰু পৰিয়ালসমূহ দুয়োটাৰ যাৰ জীৱিকা প্ৰাথমিকভাৱে অধিগ্ৰহণ কৰা মাটিৰ ওপৰত নিৰ্ভৰশীল** | | | | |
| 3 | মাটিৰ লোকচান | ৩.১ | প্ৰকল্পটোত প্ৰভাৱিত প্ৰতিটো পৰিয়ালৰ ন্যূনতম এজন সদস্যক কৰ্মসংস্থাপন বা প্ৰয়োজনানুসাৰে প্ৰয়োজনীয় ক্ষেত্ৰত উপযুক্ত প্ৰশিক্ষণ আৰু দক্ষতা বিকাশৰ ব্যৱস্থাৰে এনে আন প্ৰকল্পত চাকৰিৰ ব্যৱস্থা কৰি দিয়া আৰু ন্যূনতম মজুৰিতকৈ যাতে কম হাৰত নহয়।<br><br>বা<br><br>প্ৰতিটো প্ৰভাৱিত পৰিয়ালবৰ্গলৈ ৫,০০,০০০/- টকা এককালীন সাহায্য<br><br>বা<br><br>বাৰ্ষিক ভাট্টা নীতি যে ২০ বছৰৰ বাবে প্ৰতিমাহে ২,০০০/- টকাকৈ প্ৰদান কৰা হ'ব চিপিআইএএল (CPIAL)-ৰ সঠিক অনুক্ৰমণ কৰি | |
| | | ৩.২ | প্ৰকল্পটোৰ বাবে স্থানান্তৰিত হ'ব | |

| ক্ৰ নং | প্ৰভাৱিত বৰ্গ | অধিকাৰত্ব | | বাস্তৱায়িতকৰণৰ নিৰ্দেশনা |
|---|---|---|---|---|
| | | | লগীয়া হোৱা প্ৰভাৱিত পৰিয়ালবৰ্গসমূহলৈ এক বছৰৰ বাবে মাহে ৩,০০০/- টকাকৈ জীৱন নিৰ্বাহ ভাট্টা | |
| | | ৩.৩ | প্ৰকল্পটোৰ বাবে স্থানান্তৰিত হ'ব লগীয়া হোৱা প্ৰভাৱিত পৰিয়ালবৰ্গসমূহলৈ ৫০,০০০/- টকাৰ পৰিবহণ সাহায্য | |
| | | ৩.৪ | এখন চৰণীয়া জন্তুৰ চালি বা সাধাৰণ দোকান হেৰুৱা সকলৰ বাবে ন্যূনতম ২৫,০০০/- টকা এককালীন সাহায্য। | চৰণীয়া জন্তুৰ চালি বা সাধাৰণ দোকানে চৰকাৰৰ অধিসূচনাৰ দ্বাৰা উল্লেখ কৰা পৰিমাণত বা ন্যূনতম পঁচিছ হাজাৰ টকা ঘটনা অনুসাৰে চৰণীয়া জন্তুৰ চালি বা সাধাৰণ দোকান নিৰ্মাণ কৰিবলৈ এককালীন অৰ্থনৈতিক সাহায্য লাভ কৰিব।<br><br>সাধাৰণ দোকান বোলোতে বাণিজ্যিক বিপণী, বিক্ৰেতাই য'ত ব্যৱসায় কৰে অন্তৰ্ভুক্ত হৈ থাকে।<br><br>পিআইইউ (PIU) আৰু কাৰ্য্য প্ৰয়োগকাৰী বেচৰকাৰী সংস্থা/এজেঞ্চিয়ে এনে পিএপি (PAP)সমূহৰ সৈতে মন্ত্ৰনা কৰিব আৰু সাধাৰণ দোকান শ্ৰেণীৰ অধীনত নগদ সাহায্য পাবলগীয়া বিপণী আৰু বিক্ৰেতাসকলৰ জীৱন নিৰ্বাহ ভাট্টাৰ প্ৰয়োজনীয়তা মূল্যায়ন কৰিব।<br><br>চৰণীয়া জন্তুৰ চালি বুলি চৰণীয়া জন্তুসমূহ ৰাখিবলৈ দীৰ্ঘম্যাদী হিচাপত গঢ়া যিকোনো স্থায়ী, অৰ্ধ-স্থায়ী নিৰ্মাণ বা সাময়িক চালি বুজোৱা হৈছে। |
| | | ৩.৫ | স্থানান্তৰ হ'ব লগীয়া প্ৰভাৱিত পৰিয়ালবৰ্গলৈ ৫০,০০০/- টকা এককালীন পুনৰ সংস্থাপন ভাট্টা | |
| | | ৩.৬ | প্ৰকল্পটোৰ বাবে অনুসূচীত অঞ্চলৰ পৰা স্থানচ্যুত হৈ পুনৰ স্থাপিত হ'বলৈ প্ৰয়োজন হোৱা | |

| ক্ৰ নং | প্ৰভাৱিত বৰ্গ | অধিকাৰত্ব | | বাস্তৱায়িতকৰণৰ নিৰ্দেশনা |
|---|---|---|---|---|
| | | | অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি পৰিয়ালসমূহৰ বাবে অতিৰিক্ত ৫০,০০০/- টকা এককালীন সাহায্য | |
| ৪ | বাসস্থানৰ লোকচান | ৪.১ | যিসকলে পুনৰ স্থাপিত হ'ব লাগিব তেওঁলোকৰ বাবে এটা বিকল্প ঘৰ, গ্ৰামীণ অঞ্চলৰ বাবে পিএমাৱাই-জি (PMAY-G) বিৰৰণ অনুসৰি আৰু নগৰাঞ্চলৰ বাবে ন্যূনতম ৫০ বৰ্গমিটাৰৰ এক নিৰ্মিত ঘৰ;<br><br>বা<br><br>যদি বিচাৰে ঘৰৰ পৰিৱৰ্তে নগদ ধন, সেইসকলৰ বাবে যাৰ বাৰীৰে সৈতে ঘৰ থকা মাটি নাই আৰু প্ৰভাৱিত অঞ্চলত একেলেথাৰিকৈ ন্যূনতম ৩-বছৰ কালৰ বাবে বাস কৰি আছে। | যিসকলে পুনৰ স্থাপিত হ'ব লাগিব তেওঁলোকৰ বাবে এটা বিকল্প ঘৰ, গ্ৰামীণ অঞ্চলৰ বাবে পিএমাৱাই-জি (PMAY-G) (*IAY has been restructured*) বিৰৰণ অনুসৰি আৰু নগৰাঞ্চলৰ বাবে ন্যূনতম ৫০ বৰ্গমিটাৰৰ এক নিৰ্মিত ঘৰ; বা চহৰাঞ্চলত ৫০ বৰ্গমিটাৰ বা যদি বিচাৰে তাৰ পৰিৱৰ্তে নগদ ধন (ঘৰৰ পৰিৱৰ্তে নগদ ধন গ্ৰামীণ অঞ্চলৰ বাবে ভাৰত চৰকাৰৰ পিএমএৱাই-জি (PMAY-G) মানদণ্ড মতে হ'ব ১,২০,০০০/- টকা (সমতল) আৰু ১,৩০,০০০/- টকা (কষ্টসাধ্য ক্ষেত্ৰ) আৰু চহৰাঞ্চলৰ বাবে হ'ব ১,৫০,০০০/- টকা)<br><br>ওপৰত সূচীত সুবিধাসমূহ বাৰীৰে সৈতে ঘৰ নথকা প্ৰভাৱিত পৰিয়ালসমূহলৈ আগবঢ়োৱা হ'ব আৰু যিসকলে জাননী পোৱা দিনৰ পূৰ্বে প্ৰভাৱিত অঞ্চলটোত একেলেথাৰিকৈ ন্যূনতম তিনি বছৰৰ ধৰি বসবাস কৰি আছে আৰু অনৈচ্ছিকভাৱে এনে অঞ্চলৰ পৰা স্থানচ্যুত হৈছে।<br><br>এই সুবিধা মালিকৰ তথা স্বত্বহীন শ্ৰেণীৰ বাসস্থান আৰু বাণিজ্যিক উদ্দেশ্যসমূহ সম্পূৰ্ণ কৰা মিশ্ৰিত ব্যৱহাৰৰ নিৰ্মাণ কাৰ্য্যলৈকো আগবঢ়াব পৰা যায়। |
| | | ৪.২ | প্ৰকল্পটোত প্ৰভাৱিত প্ৰতিটো পৰিয়ালৰ ন্যূনতম এজন সদস্যক কৰ্মসংস্থাপন বা প্ৰয়োজনানুসাৰে প্ৰয়োজনীয় ক্ষেত্ৰত উপযুক্ত প্ৰশিক্ষণ আৰু দক্ষতা বিকাশৰ ব্যৱস্থাৰে এনে আন প্ৰকল্পত | |

| ক্ৰ নং | প্ৰভাৱিত বৰ্গ | অধিকাৰত্ব | | বাস্তৱায়িতকৰণৰ নিৰ্দেশনা |
|---|---|---|---|---|
| | | | চাকৰিৰ ব্যৱস্থা কৰি দিয়া আৰু ন্যূনতম মজুৰিতকৈ যাতে কম হাৰত নহয়।<br><br>বা<br><br>প্ৰতিটো প্ৰভাৱিত পৰিয়ালবৰ্গলৈ ৫,০০,০০০/- টকা এককালীন সাহায্য<br><br>বা<br><br>বাৰ্ষিক ভাট্টা নীতি যে ২০ বছৰৰ বাবে প্ৰতিমাহে ২,০০০/- টকাকৈ প্ৰদান কৰা হ'ব চিপিআইএএল (CPIAL)-ৰ সঠিক অনুক্ৰমণ কৰি | |
| | | ৪.৩ | প্ৰকল্পটোৰ বাবে স্থানান্তৰিত হ'ব লগীয়া হোৱা প্ৰভাৱিত পৰিয়ালবৰ্গসমূহলৈ এক বছৰৰ বাবে মাহে ৩,০০০/- টকাকৈ জীৱন নিৰ্বাহ ভাট্টা | |
| | | ৪.৪ | প্ৰকল্পটোৰ বাবে স্থানান্তৰিত হ'ব লগীয়া হোৱা প্ৰভাৱিত পৰিয়ালবৰ্গসমূহলৈ ৫০,০০০/- টকাৰ পৰিবহণ সাহায্য | |
| | | ৪.৫ | এখন চৰণীয়া জন্তুৰ চালি বা সাধাৰণ দোকান হেৰুৱা সকলৰ বাবে ন্যূনতম ২৫,০০০/- টকা এককালীন সাহায্য। | চৰণীয়া জন্তুৰ চালি বা সাধাৰণ দোকানে চৰকাৰৰ অধিসূচনাৰ দ্বাৰা উল্লেখ কৰা পৰিমাণত বা ন্যূনতম পঁচিছ হাজাৰ টকা ঘটনা অনুসাৰে চৰণীয়া জন্তুৰ চালি বা সাধাৰণ দোকান নিৰ্মাণ কৰিবলৈ এককালীন অৰ্থনৈতিক সাহায্য লাভ কৰিব।<br><br>সাধাৰণ দোকান বোলোতে বাণিজ্যিক বিপণী, বিক্ৰেতাই য'ত ব্যৱসায় কৰে অন্তৰ্ভুক্ত হৈ থাকে |

| ক্ৰ নং | প্ৰভাৱিত বৰ্গ | অধিকাৰত্ব | | বাস্তৱায়িতকৰণৰ নিৰ্দেশনা |
|---|---|---|---|---|
| | | | | পিআইইউ (PIU) আৰু কাৰ্য্য প্ৰয়োগকাৰী বেচৰকাৰী সংস্থা/এজেঞ্চিয়ে এনে পিএপি (PAP)সমূহৰ সৈতে মন্ত্ৰনা কৰিব আৰু সাধাৰণ দোকান শ্ৰেণীৰ অধীনত নগদ সাহায্য পাবলগীয়া বিপণী আৰু বিক্ৰেতাসকলৰ জীৱন নিৰ্বাহ ভাট্টাৰ প্ৰয়োজনীয়তা মূল্যায়ন কৰিব।<br><br>চৰণীয়া জন্তুৰ চালি বুলি চৰণীয়া জন্তুসমূহ ৰাখিবলৈ দীৰ্ঘম্যাদী হিচাপত গঢ়া যিকোনো স্থায়ী, অৰ্ধ-স্থায়ী নিৰ্মাণ বা সাময়িক চালি বুজোৱা হৈছে। |
| | | ৪.৬ | এজন কাৰিকৰ বা স্বনিয়োজিত আৰু যিয়ে পুনৰ স্থাপিত হ'ব লাগিব এনে প্ৰতিটো প্ৰভাৱিত পৰিয়ালৰ বাবে ২৫,০০০/- টকা এককালীন সাহায্য। | |
| | | ৪.৭ | স্থানান্তৰ হ'ব লগীয়া প্ৰভাৱিত পৰিয়ালবৰ্গলৈ ৫০,০০০/- টকা এককালীন পুনৰ সংস্থাপন ভাট্টা | |
| | | ৪.৮ | প্ৰকল্পটোৰ বাবে অনুসূচীত অঞ্চলৰ পৰা স্থানচ্যুত হৈ পুনৰ স্থাপিত হ'বলৈ প্ৰয়োজন হোৱা অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি পৰিয়াল সমূহৰ বাবে অতিৰিক্ত ৫০,০০০/- টকা এককালীন সাহায্য | |
| | | ৪.৯ | প্ৰভাৱিত সামগ্ৰীসমূহ ধ্বংস হোৱাৰ পৰা ৰক্ষা কৰাৰ অধিকাৰ | |
| ৫ | দোকান/ব্যৱসায়/বাণিজ্যিক গাঁথনিৰ লোকচান | ৫.১ | প্ৰকল্পটোত প্ৰভাৱিত প্ৰতিটো পৰিয়ালৰ ন্যূনতম এজন সদস্যক কৰ্মসংস্থাপন বা প্ৰয়োজনানুসাৰে প্ৰয়োজনীয় ক্ষেত্ৰত উপযুক্ত | |

| ক্র নং | প্ৰভাৱিত বৰ্গ | অধিকাৰত্ব | | বাস্তৱায়িতকৰণৰ নিৰ্দেশনা |
|---|---|---|---|---|
| | | | প্ৰশিক্ষণ আৰু দক্ষতা বিকাশৰ ব্যৱস্থাৰে এনে আন প্ৰকল্পত চাকৰিৰ ব্যৱস্থা কৰি দিয়া আৰু ন্যূনতম মজুৰিতকৈ যাতে কম হাৰত নহয়।<br><br>বা<br><br>প্ৰতিটো প্ৰভাৱিত পৰিয়ালবৰ্গলৈ ৫,০০,০০০/- টকা এককালীন সাহায্য<br><br>বা<br><br>বাৰ্ষিক ভাট্টা নীতি যে ২০ বছৰৰ বাবে প্ৰতিমাহে ২,০০০/- টকাকৈ প্ৰদান কৰা হ'ব চিপিআইএএল (CPIAL)-ৰ সঠিক অনুক্ৰমণ কৰি | |
| | | ৫.২ | প্ৰকল্পটোৰ বাবে স্থানান্তৰিত হ'ব লগীয়া হোৱা প্ৰভাৱিত পৰিয়ালবৰ্গসমূহলৈ এক বছৰৰ বাবে মাহে ৩,০০০/- টকাকৈ জীৱন নিৰ্বাহ ভাট্টা | |
| | | ৫.৩ | প্ৰকল্পটোৰ বাবে স্থানান্তৰিত হ'ব লগীয়া হোৱা প্ৰভাৱিত পৰিয়ালবৰ্গসমূহলৈ ৫০,০০০/- টকাৰ পৰিবহণ সাহায্য। | |
| | | ৫.৪ | এজন কাৰিকৰ বা স্বনিয়োজিত বা সৰু ব্যৱসায়ী আৰু যিয়ে পুনৰ স্থাপিত হ'ব লাগিব এনে প্ৰতিটো প্ৰভাৱিত পৰিয়ালৰ বাবে ২৫,০০০/- টকা এককালীন সাহায্য। | |
| | | ৫.৫ | স্থানান্তৰ হ'ব লগীয়া প্ৰভাৱিত | |

| ক্ৰ নং | প্ৰভাৱিত বৰ্গ | অধিকাৰত্ব | | বাস্তৱায়িতকৰণৰ নিৰ্দেশনা |
|---|---|---|---|---|
| | | | পৰিয়ালবৰ্গলৈ ৫০,০০০/- টকা এককালীন পুনৰ সংস্থাপন ভাট্টা | |
| | | ৫.৬ | প্ৰকল্পটোৰ বাবে অনুসূচীত অঞ্চলৰ পৰা স্থানচ্যুত হৈ পুনৰ স্থাপিত হ'বলৈ প্ৰয়োজন হোৱা অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি পৰিয়াল সমূহৰ বাবে অতিৰিক্ত ৫০,০০০/- টকা এককালীন সাহায্য | |
| | | ৫.৭ | প্ৰভাৱিত সামগ্ৰীসমূহ ধ্বংস হোৱাৰ পৰা ৰক্ষা কৰাৰ অধিকাৰ | |
| **ভাগ III. স্বত্বহীন দখলকাৰী আৰু বেদখলকাৰীৰ প্ৰতি প্ৰভাৱ – যিসকল আহ-যাহৰ অধিকাৰ থকা স্থানত অৱস্থিত যি স্থানত কোনো মাটি অধিগ্ৰহণ কৰা হোৱা নাই** | | | | |
| ৬ | স্বত্বহীন দখলকাৰীৰ প্ৰতি প্ৰভাৱ | ৬.১<br>৬.১.১ | **বাসস্থানৰ লোকচান**<br><br>প্ৰভাৱিত গাঁথনি ধ্বংস কৰিবলৈ ১-মাহৰ জাননীৰ সৈতে গাঁথনিটোৰ বাবে মূল্যাৱনমন অবিহনে অনুসূচীত হাৰত ক্ষতিপূৰণ | কেৱল সেইসকল প্ৰত্যক্ষভাৱে প্ৰভাৱিত স্বত্বহীন দখলদাৰীসকল যিসকলে তাতে বসবাস কৰে সকলো সাহায্যৰ বাবে যোগ্য হ'ব।<br><br>চৰকাৰী মাটিত থকা গাঁথনিৰ মালিকসকলক যিয়ে তাত বাস নকৰে আৰু গাঁথনিটো ভাড়ালৈ দিছে গাঁথনিটোৰ বাবে ক্ষতিপূৰণ প্ৰদান কৰা হ'ব আৰু কোনো আন কোনো সাহায্য দিয়া নহ'ব। অধিবাসীগৰাকী (স্বত্বহীন দখলকাৰী) অন্যান্য সাহায্যসমূহৰ বাবে যোগ্য হ'ব। |
| | | ৬.১.২ | প্ৰভাৱিত সামগ্ৰীসমূহ ধ্বংস হোৱাৰ পৰা ৰক্ষা কৰাৰ অধিকাৰ | |
| | | ৬.১.৩ | ঘৰ নিৰ্মাণৰ অনুদান ১,২০,০০০/- সেই সকলোৰে বাবে যিয়ে স্থানান্তৰ কৰিব লাগিব আৰু কোনো ঘৰ নায়।<br><br>যিসকলৰ কোনো বাসস্থান স্থলী নাই তেওঁলোকৰ বাবে ৫০,০০০/- অতিৰিক্ত বাসস্থান স্থলী অনুদান | |
| | | ৬.১.৪ | এককালীন জীৱন নিৰ্বাহ ভাট্টা | |

| ক্ৰ নং | প্ৰভাৱিত বৰ্গ | অধিকাৰত্ব | | বাস্তৱায়িতকৰণৰ নিৰ্দেশনা |
|---|---|---|---|---|
| | | | ১৮,০০০/- টকা | |
| | | ৬.১.৫ | স্থানান্তৰ সাহায্য ১০,০০০/- টকা | |
| | | ৬.২<br>৬.২.১ | **দোকানৰ লোকচান**<br><br>প্ৰভাৱিত গাঁথনি ধ্বংস কৰিবলৈ ১-মাহৰ জাননীৰ সৈতে গাঁথনিটোৰ বাবে মূল্যাৱনমন অবিহনে অনুসূচীত হাৰত ক্ষতিপূৰণ | কেৱল সেইসকল প্ৰত্যক্ষভাৱে প্ৰভাৱিত স্বত্বহীন দখলদাৰীসকল যিসকলে তাতে ব্যৱসায় কৰে সকলো সাহায্যৰ বাবে যোগ্য হ'ব।<br><br>চৰকাৰী মাটিত থকা গাঁথনিৰ মালিকসকলক যিয়ে তাত ব্যৱসায় নকৰে আৰু গাঁথনিটো ভাড়ালৈ দিছে গাঁথনিটোৰ বাবে ক্ষতিপূৰণ প্ৰদান কৰা হ'ব আৰু কোনো আন কোনো সাহায্য দিয়া নহ'ব। অধিবাসীগৰাকী (স্বত্বহীন দখলকাৰী) অন্যান্য সাহায্যসমূহৰ বাবে যোগ্য হ'ব। |
| | | ৬.২.২ | প্ৰভাৱিত সামগ্ৰীসমূহ ধ্বংস হোৱাৰ পৰা ৰক্ষা কৰাৰ অধিকাৰ | |
| | | ৬.২.৩ | প্ৰভাৱিত দোকান পুনৰ্নিৰ্মাণৰ বাবে এককালীন পুনৰ সংস্থাপন অনুদান ২৫,০০০/- টকা | |
| | | ৬.২.৪ | এককালীন জীৱন নিৰ্বাহ ভাট্টা ১৮,০০০/- টকা | |
| | | ৬.২.৫ | স্থানান্তৰ সাহায্য ১০,০০০/- টকা | |
| | | ৬.৩<br>৬.৩.১ | **বিপণী / ৰাস্তাৰ বিক্ৰেতাসমূহ**<br><br>সমীপৰৰ্তী এলেকাকৈ পুনৰ স্থাপিত হৈ অৰ্থনৈতিক কাৰ্য্যকলাপ অব্যাহত ৰাখিবলৈ ১-মাহৰ আগতীয়া জাননী | সাধাৰণ দোকান বোলোতে বাণিজ্যিক বিপণী, বিক্ৰেতাই য'ত ব্যৱসায় কৰে অন্তৰ্ভুক্ত হৈ থাকে। সাধাৰণ দোকানে চৰকাৰৰ অধিসূচনাৰ দ্বাৰা উল্লেখ কৰা পৰিমাণত বা ন্যূনতম পঁচিছ হাজাৰ টকা ঘটনা অনুসাৰে সাধাৰণ দোকান নিৰ্মাণ কৰিবলৈ এককালীন অৰ্থনৈতিক সাহায্য লাভ কৰিব।<br><br>পিআইইউ (PIU) আৰু কাৰ্য্য প্ৰয়োগকাৰী বেচৰকাৰী সংস্থা/এজেঞ্চিয়ে এনে পিএপি (PAP)সমূহৰ সৈতে মন্ত্ৰনা কৰিব আৰু সাধাৰণ দোকান শ্ৰেণীৰ অধীনত নগদ সাহায্য পাবলগীয়া বিপণী আৰু বিক্ৰেতাসকলৰ জীৱন নিৰ্বাহ ভাট্টাৰ প্ৰয়োজনীয়তা মূল্যায়ন কৰিব। |
| | | ৬.৩.২ | নিৰ্মাণ কাৰ্য্য চলা কালত জীৱিকা অস্থায়ীভাবে ক্ষতি হোৱাৰ পৰিপ্ৰেক্ষিতত, মাহে ৩,০০০/- টকাৰ এক জীৱিকা নিৰ্বাহ ভাট্টা জীৱিকা ব্যাহত হোৱা সময়খিনিৰ বাবে দিয়া হ'ব, সৰ্ব্বাধিক ৩-মাহৰ বাবে | |
| | | ৬.৩.৩ | যদি পুনৰ সংস্থাপন সমীপৰৰ্তী এলেকালৈ হয় আৰু অৰ্থনৈতিক কাৰ্য্যকলাপ একেটা এলেকাত | |

| ক্ৰ নং | প্ৰভাৱিত বৰ্গ | অধিকাৰত্ব | | বাস্তৱায়িতকৰণৰ নিৰ্দেশনা |
|---|---|---|---|---|
| | | | সম্ভৱপৰ নহয়, তেতিয়া এককালীন পুনৰ সংস্থাপন অনুদান ২৫,০০০/- টকা | |
| | | ৬.৪<br>৬.৪.১ | **খেতি**<br><br>চলিত শস্যৰ খেতি চপাবলৈ ৩-মাহৰ আগতীয়া জাননী বা চলিত শস্যৰ বজাৰ মূল্যৰ ক্ষতিপূৰণ | |
| ৭ | বেদখলকাৰীৰ প্ৰতি প্ৰভাৱ | ৭.১<br>৭.১.১ | **খেতি**<br><br>চলিত শস্যৰ খেতি চপাবলৈ ৩-মাহৰ আগতীয়া জাননী বা চলিত শস্যৰ বজাৰ মূল্যৰ ক্ষতিপূৰণ যদি জাননী দিয়া নহয় | লোকচান হোৱা চলিত শস্যৰ বজাৰ মূল্য পিআইইউ (PIU)-য়ে কৃষি আৰু উদ্যান বিভাগৰ সৈতে মন্ত্ৰনাৰ দ্বাৰা নিৰ্ধাৰণ কৰিব |
| | | ৭.২<br>৭.২.১ | **গাঁথনি**<br><br>বেদখলকাৰী গাঁথনি ধ্বংস কৰিবলৈ ১-মাহৰ জাননী | |
| | | ৭.২.২ | গাঁথনিটোৰ প্ৰভাৱিত অংশৰ বাবে মূল্যাৱনমন অবিহনে অনুসূচীত হাৰত ক্ষতিপূৰণ | বাণিজ্যিক গাঁথনিসমূহ আৰু অন্যান্য স্থাৱৰ সম্পত্তিৰ মূল্য সেই দিনটোৰ আনুষংগিক হাৰৰ মৌলিক অনুসূচী (এছআৰ (SR))-ৰ আধাৰত মূল্যাৱনমনৰ অবিহনে নিৰ্ধাৰণ কৰা হ'ব। |
| **ভাগ IV. অসুৰক্ষিত পৰিয়ালবৰ্গৰ প্ৰতি প্ৰভাৱ** | | | | |
| ৮ | অসুৰক্ষিত পৰিয়ালবৰ্গ | ৮.১ | পুনৰ স্থাপন কৰিব লগা ডিএইচ(DH)-সকললৈ এককালীন সাহায্য ২৫,০০০/- টকা | প্ৰভাৱিত পৰিয়ালটোৰ এগৰাকী প্ৰাপ্তবয়স্ক সদস্য, যাৰ জীৱিকা প্ৰভাৱিত হৈছে, দক্ষতা বিকাশৰ বাবে সুবিধা পাব।<br><br>পিআইইউ(PIU)-য়ে, বেচৰকাৰী সংস্থাৰ সহায়ত যুটীয়া সত্যতা নিৰূপণ আৰু **আৰএপি (RAP)** উন্নিত কৰাৰ সময়ত স্থানান্তৰিত হোৱা যোগ্য অসুৰক্ষিত লোকসকলক চিনাক্ত কৰিব আৰু পিএপি(PAP)-ৰ সৈতে মন্ত্ৰনা কৰি প্ৰয়োজনীয় প্ৰশিক্ষণ নিৰূপণ প্ৰক্ৰিয়া চলাব যাতে |

| ক্র নং | প্ৰভাৱিত বৰ্গ | অধিকাৰত্ব | | বাস্তৱায়িতকৰণৰ নিৰ্দেশনা |
|---|---|---|---|---|
| | | | | পিএপি(PAP)-ৰ দক্ষতা আৰু অঞ্চলৰ সৈতে খাপ খোৱা সঠিক প্ৰশিক্ষণ কাৰ্য্যক্ৰম বিকাশ কৰিব পাৰে।<br><br>পিআইইউ(PIU) আৰু বেচৰকাৰী সংস্থাই সংগতি থকা প্ৰশিক্ষণ অনুষ্ঠানৰ সৈতে মন্ত্ৰনা কৰি সঠিক প্ৰশিক্ষক বা স্থানীয় সা-সুবিধা চিনাক্ত কৰি উলিয়াব |
| **ভাগ V. অসামৰিক কাৰ্য্যৰ সময়ত প্ৰভাৱ** | | | | |
| ৯ | গাঁথনি/সম্পত্তি/গছ/শস্যত প্ৰভাৱ | ৯.১ | অসামৰিক কাৰ্য্যৰ বাবে সম্পত্তি/ গছ-গছনি/ ব্যক্তিগত শস্য/ ৰাজহুৱা মাটিৰ হোৱা ক্ষয়-ক্ষতিৰ বাবে ক্ষতিপূৰণ দিবলৈ ঠিকাদাৰ গৰাকী বাধ্য | এই ব্যৱস্থাসমূহৰ বাধ্যতা পিআইইউ( PIU)-য়ে সুনিশ্চিত কৰিব |
| ১০ | ব্যক্তিগত মাটিৰ ব্যৱহাৰ | ১০.১ | ঠিকাদাৰগৰাকীয়ে মাটিৰ মালিকৰ পৰা আগতীয়াকৈ লিখিত সন্মতি গ্ৰহণ কৰিব আৰু ব্যক্তিগত মাটি সামগ্ৰী মজুত কৰিবলৈ বা যান-বাহন আৰু যন্ত্ৰপাতি চলাচল কৰিবলৈ ব্যৱহাৰ কৰা বা শিবিৰ স্থাপন কৰা বা অসামৰিক কাৰ্য্যকলাপৰ সময়ত পোতাশালৰ বিকল্প হিচাপে ব্যৱহাৰ কৰাৰ বাবদ চুক্তি কৰা ভাড়া পৰিশোধ কৰিব। | |
| **ভাগ VI. সামূহিক সম্পত্তি সম্পদসমূহ** | | | | |
| ১১ | সামূহিক সম্পত্তি সম্পদসমূহ যেনে উপাসনাস্থলীসমূহ, সমজুৱা অট্টালিকাসমূহ, বিদ্যালয় ইত্যাদিত প্ৰভাৱ | ১১.১ | পুনৰ্স্থাপন বা পুনৰুদ্ধাৰ, যদি সম্ভৱপৰ, বা প্ৰতিষ্ঠাপন মূল্যত নগদ ক্ষতিপূৰণ | |
| ১২ | পানী যোগান, বিদ্যুৎ যোগান আদিৰ দৰে আৱশ্যকীয়তাসমূহ | ১২.১ | পুনৰ্স্থাপিত কৰা হ'ব আৰু অসামৰিক কাৰ্য্যকলাপ আৰম্ভ হোৱাৰ পূৰ্বে সেৱা পুনৰাম্ভ হ'ব। | পিআইইউ(PIU)-য়ে নিশ্চিত কৰিব যে অসামৰিক কাৰ্য্যকলাপ আৰম্ভ হোৱাৰ পূৰ্বে আৱশ্যকীয়তাসমূহ অসামৰিক কাৰ্য্যৰ সময়সূচীৰ সৈতে সংগতি ৰাখি পুনৰ্স্থাপিত হয়। |

| ক্ৰ নং | প্ৰভাৱিত বৰ্গ | অধিকাৰত্ব | বাস্তৱায়িতকৰণৰ নিৰ্দেশনা |
|---|---|---|---|
| **ভাগ VII. অপ্ৰত্যাশিত প্ৰভাৱসমূহ** | | | |
| বাস্তৱায়িতকৰণৰ সময়ত সন্মূখীন হোৱা অপ্ৰত্যাশিত প্ৰভাৱসমূহ আৰএফচিটিএলআৰ (RFCTLAR) ২০১৩-ৰ মৌলিক ভিত্তি/ বিশ্ব বেংকৰ সুৰক্ষা নীতি অনুসৰি মোকাবিলা কৰা হ'ব। | | | |